# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2025
**Time :** 0900 HRS

## *Assamese Morning Bulletin*
## *Headlines*

- - - - - - - - - - - - - - -

১। অসম বিধানসভাত পৌৰ নিগম নিকায়ৰ কৰ্মচাৰীসকলৰ পদ প্ৰাদেশিকীকৰণ বিধেয়ক গৃহীত। ১০৫ খন পৌৰ নিগম নিকায়ৰ কৰ্মচাৰীয়ে লাভ কৰিব সমপৰ্যায়ৰ দৰমহা।

২। নামৰূপ সাৰ কাৰখানাত নতুন গোট স্থাপনৰ পাছত ৰাজ্যত সাৰৰ নাটনি দূৰ হ'ব বুলি কৃষিমন্ত্ৰী অতুল বৰাৰ আশা প্ৰকাশ।

৩। ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা।

৪। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি বিংশতিতম অসম মহোৎসৱ আৰম্ভ।

**আৰু**

৫। ভাৰতৰ ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সুনীল ছেত্ৰীৰ অৱসৰৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ ঘোষণা।

ooooo

ৰাজ্যৰ ১০৫ খন পৌৰ নিগম নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীক অৱসৰ পৰ্যন্ত চৰকাৰে দৰমহা প্ৰদান কৰিব। ২০১৩ চনৰ ৪ ছেপ্তেম্বৰৰ ভিতৰত নিযুক্তি লাভ কৰাসকলে এই সুবিধা লাভ কৰিব। অসম বিধানসভাত কালি ৰাজ্যৰ পৌৰ নিগম নিকায়সমূহত কৰ্মৰত কৰ্মচাৰীসকলৰ পদ প্ৰাদেশিকীকৰণ বিধেয়ক গৃহীত হোৱাৰ পাছতে গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই কথা প্ৰকাশ কৰে। বিধেয়কখনৰ কেইবাটাও দফাৰ সংশোধনী প্ৰস্তাৱৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে পৌৰ নিগম নিকায়সমূহে স্বতন্ত্ৰভাৱে কাম কৰাৰ লগতে কৰ্মচাৰীসকলক নিযুক্তি দি দৰমহা প্ৰদান কৰি আহিছে। কিন্তু বহু পৌৰ নিগম নিকায়ৰ সময়ত কৰ্মচাৰীসকলক দৰমহা দিব নোৱাৰাত কৰ্মচাৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বিষয়টো সন্দৰ্ভত আলোচনা আৰু বিবেচনাৰ অন্তত পথসমূহ প্ৰাদেশিকীকৰণৰ বাবে আইনখন আনি তেওঁলোকক সকাহ দিবলৈ চেষ্টা কৰা হৈছে বুলি মন্ত্ৰী মল্লবৰুৱাই উল্লেখ কৰে।

-বাইট-

মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে যে ৰাজ্যৰ প্ৰত্যেকখন পৌৰ নিগম নিকায়ৰ দৰমহা গাঁথনি পূৰ্বতে পৃথক আছিল যদিও এতিয়া সকলোকে সম পৰ্যায়ৰ আৰু এটা নিৰ্দিষ্ট দৰমহা গাঁথনিৰ আওতালৈ অনা হ'ব।

ooooo

নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ ৬০০ কোটি টকা বিনিয়োগেৰে নতুন গোট স্থাপন কৰাৰ পাছত ৰাজ্যত সাৰৰ নাটনি দূৰ হ'ব বুলি কৃষিমন্ত্ৰী অতুল বৰাই কালি বিধানসভাত প্ৰকাশ কৰিছে। এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামে ৰাজ্যত সাৰৰ কৃত্ৰিম নাটনি তথা কৃষকে উচ্চ দামত সাৰ কিনিবলৈ অক্ষম হোৱা সন্দৰ্ভত কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰী বৰাই কয়, যে কৃষি বিভাগে

জিলা প্ৰশাসনৰ লগত যুটীয়াভাৱে অনুসন্ধান কৰি সাৰ বিক্ৰীৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়ম পোৱা নাই আৰু নামৰূপৰ অতিৰিক্ত গোটটো স্থাপন হোৱাৰ পাছতে বৰ্তমানৰ নাটনি দূৰ হ'ব।

০০০০০

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কালি নিশা ১২ বজাৰ পাছতে ঘোষণা কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাধা গোবিন্দ বৰুৱা পথ আৰু ড° ভূপেন হাজৰিকা পথত মৰা ভৰলু নৈৰ ওপৰত নিৰ্মাণ কৰা পকী দলঙৰ উদ্বোধন কৰিব। উন্নত যোগাযোগ ব্যৱস্থাৰে সবল ভৱিষ্যত নিৰ্মাণৰ লক্ষ্যৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত দলংখন নিৰ্মাণ কৰা হৈছে। ১৫ কোটি টকা ব্যয়সাপেক্ষ এই দলংখনৰ জৰিয়তে - বৰ্ষাপাৰা ষ্টেডিয়াম, কালাপাহাৰ, ফটাশিল, কলনী বজাৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বিকল্প পথৰ সুবিধা সৃষ্টি হ'ব। তদুপৰি বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত ক্ৰিকেট খেলৰ সময়ত হোৱা যান-জঁটৰ সমস্যা হ্ৰাস পোৱাৰ লগতে নতুন দলংখনেৰে ষ্টেডিয়ামৰ প্ৰৱেশ দ্বাৰলৈ সংযোগ ব্যৱস্থা সু-শৃংখলিত হৈ উঠিব বুলি আশা কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও উপস্থিত থকাৰ কথা।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ধাৰাপুৰত মজলী-ৰাণী চাপৰি সংযোগী ভাসমান সেতু আৰু ৰাণী চাপৰিৰ বৈদ্যুতিকীকৰণ ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰিব। মজলী-ৰাণী চাপৰি সংযোগী সেতুখনে সুশৃংখলিত যোগাযোগত যাত্ৰাৰ সময় আৰু পৰিবহন ব্যয় হ্ৰাস কৰাৰ লগতে কৃষি কৰ্ম আৰু থলুৱা অৰ্থনীতি বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। আনহাতে, ৰাণী চাপৰিৰ বৈদ্যুতিকীকৰণ ব্যৱস্থাই প্ৰায় ৪০০টা পৰিয়ালক প্ৰত্যক্ষভাৱে উপকৃত কৰিব। ৪ হাজাৰ বিঘা ভূমি এলেকা সামৰিবলগীয়া এই বৈদ্যুতিকীকৰণ ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব। আজিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগতে শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।

০০০০০

যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে বিংশতিতম অসম মহোৎসৱ আৰম্ভ হ'ব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে মহোৎসৱখন উদ্বোধন কৰিব। অনুষ্ঠানত সাহিত্য সংস্কৃতি আৰু ক্ৰীড়া জগতলৈ বিশেষ সেৱা আগবঢ়োৱা চাৰিগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হ'ব। উদ্বোধনী অনুষ্ঠানত অসমীয়া লোকসংস্কৃতিৰ বাৰেৰহণীয়া কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি বিয়া নাম, দিহানাম, চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে কেইবাখনো কৰ্মশালা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। মহোৎসৱখনৰ অহা ২৩ মাৰ্চত সামৰণি পৰিব।

০০০০০

মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ দুইলেনযুক্ত দলংখনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে পুনৰ আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত এই কথা উল্লেখ কৰিছে। পথ যোগাযোগ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ব্যয় বিত্ত সমিতিয়ে প্ৰায় ৭০০ কোটি টকাৰ সংশোধিত প্ৰকল্প ব্যয়ত অনুমোদন জনাইছে। পৰৱৰ্তী পদক্ষেপ হিচাপে শীঘ্ৰেই নিবিদা আহ্বান কৰা হ'ব বুলিও বাৰ্তাটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ছেপ্তেম্বৰ মাহৰ পৰা মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে মুখ্যমন্ত্ৰীকে ধৰি ৰাজ্যৰ বিভিন্ন দল-সংগঠনে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনোৱাৰ পাছত সংশোধিত প্ৰকল্প ব্যয়ত চৰকাৰে অনুমোদন দিছে।

০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অহা ১৪ মাৰ্চত তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ১৫ মাৰ্চৰ পুৱা অসম আৰক্ষীৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধনৰ অন্তত তেওঁ মিজোৰামলৈ ৰাওনা হ'ব। আইজলত উত্তৰ পূৱৰ ৰাজ্যসমূহৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰি নিশা তেওঁ গুৱাহাটীলৈ উভতি আহিব। গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্ত্ৰীসভাৰ সদস্য তথা দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা। ১৬ মাৰ্চত তেওঁ কোকৰাঝাৰত উপস্থিত হ'ব আৰু জিলাখনৰ দতমাত আয়োজন কৰা সদৌ বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় অধিৱেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কোকৰাঝাৰৰ পৰাই শ্ৰী শ্বাহ দিল্লীলৈ উভতি যোৱাৰ কথা।

০০০০০

কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী ড০ এছ জয়শংকৰক খালিস্তানী সমৰ্থকে লণ্ডনত আক্ৰমণৰ চেষ্টা চলোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দৈনিক জনমভূমি, দা টাইমছ অব ইণ্ডিয়া আদি প্ৰায়কেইখন বাতৰি কাকতেই প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য চমিকা ৰবিয়ে ২০১১-১২ চনৰ পৰা ২০২৩-২৪ চনলৈ দেশৰ ৩০ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে বুলি দাবী কৰাৰ বাতৰিটো দৈনিক অসম কাকতে **দাৰিদ্ৰমুক্ত হৈছে ৩০ কোটি লোক** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে এডভাণ্টেজ আছাম ১.০ত অসমলৈ ৬৪ হাজাৰ ৯৫১ দশমিক ১-৫ কোটি টকাৰ বিনিয়োগ, দ্বিতীয় সংস্কৰণত ২ লাখ ২৯ হাজাৰ ৯০০ কোটি টকাৰ ঘোষণা শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীয়ে বিশ্বৰ সৰ্বাধিক বায়ু প্ৰদূষিত চহৰৰ তালিকাৰ ৩৯ সংখ্যক স্থান লাভ কৰাৰ উদ্বেগজনক এটা খবৰ আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে অসম বিধানসভাত স্বায়ত্ত শাসিত পৰিষদৰ সাতখন বিধেয়ক গৃহীত হোৱাৰ বাতৰিটো Assembly passes Bill related to 7 autonomous councils শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দা ছেণ্টিনেল কাকতে Around 3.35 Lakh hectares of reserve forest lands still under encroachment শিৰোনামেৰে এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০

ভাৰতৰ ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সুনীল ছেত্ৰীয়ে পুনৰ আন্তৰ্জাতিক খেলত অংশ ল'ব। চলিত মাৰ্চ মাহত মালদ্বীপ আৰু বাংলাদেশৰ বিৰুদ্ধে হ'বলগীয়া ফিফা আন্তঃৰাষ্ট্ৰীয় উইণ্ডো খেলৰ জৰিয়তে খেলুৱৈগৰাকী উভতি আহিব বুলি সৰ্বভাৰতীয় ফুটবল সন্থাই ঘোষণা কৰিছে। ভাৰতৰ তাৰকা খেলুৱৈগৰাকীয়ে যোৱা বৰ্ষৰ জুন মাহত কুৱেটৰ বিৰুদ্ধে নিজৰ অন্তিমখন খেল খেলিছিল আৰু পাছলৈ অৱসৰ ঘোষণা কৰিছিল। এ এফ চি এচিয়া কাপ চৌদি আৰবীয়া ২০২৭ৰ যোগ্যতা নিৰ্ণয়কাৰী খেলৰ তৃতীয় ৰাউণ্ডৰ প্ৰাক মুহূৰ্তত ছেত্ৰীৰ অন্তৰ্ভুক্তিকৰণ ভাৰতীয় দলৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ভাৰতে অহা ১৯ মাৰ্চত শ্বিলঙত মালদ্বীপৰ বিৰুদ্ধে এখন বন্ধুত্বপূৰ্ণ খেলত আৰু পাছলৈ একেটা স্থানতে বাংলাদেশৰ বিৰুদ্ধে যোগ্যতা নিৰ্ণয়কাৰী খেলখনত অৱতীৰ্ণ হ'ব।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত জোৰেৰে পছোৱা বলাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম তথা নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া আৰু অৰুণাচল প্ৰদেশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম আৰু অৰুণাচলত

আনহাতে মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি কেন্দ্ৰটোৱে লগতে প্ৰকাশ কৰিছে।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে  ইউ পি ৱাৰিয়ৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পৰাজয়ৰ পাছতে ইউ পি ৱাৰিয়ৰ্ছৰ প্লে অব ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ সকলো সম্ভাৱনাৰ অন্ত পৰে। খেলখনত প্ৰথমে বেটিং কৰি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫০ ৰান কৰে। জৰ্জিয়া ভ'লে সৰ্বাধিক ৫৫ ৰান কৰে। মুম্বাইৰ এমেলিয়া কাৰে ৫টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত মুম্বায়ে ৯ টা বল বাকী থকা অৱস্থাত ৪ টা উইকেট হেৰুৱাই

খেলখনত জয় লাভ কৰিবলৈ সমৰ্থ হয়। ৪৬ টা বলত ৬৮ ৰান কৰা অ'পেনাৰ হেইলী মেথিউজলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

আজি লক্ষ্ণৌত গুজৰাট টাইটেনছ ডেলহী কেপিটেলছ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে অহা ১১ মাৰ্চত লীগ পৰ্যায়ৰ খেলৰ অন্ত পৰিব। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাই ১৩ মাৰ্চত এখন প্লে অফ খেলত অৱতীৰ্ণ হ'ব আৰু বিজয়ী দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ চূড়ান্ত খেলখন ১৫ মাৰ্চত খেলোৱা হ'ব।

ooooo

সমাপ্ত